**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-NOV-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

---------------------------------------------------

১। ৯৩ সংখ্যক বায়ু সেনা দিৱসৰ সৈতে সংগতি ৰাখি আজি গুৱাহাটীৰ লাচিত ঘাটত এয়াৰ শ্ব'ৰ আয়োজন।
২। প্ৰাথমিক শিক্ষক পদৰ বাবে বাচনিকৃত পাঁচ হাজাৰ ৫৫০ গৰাকী টেট উত্তীৰ্ণ প্ৰাৰ্থীক আজি নিযুক্তিপত্ৰ প্ৰদান।
৩। কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয় ছহিদগৰাকীৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি বুলি কেন্দ্ৰীয় বিত্তমন্ত্ৰীৰ মন্তব্য।
৪। গোৱালপাৰা জিলাৰ দহিকটা সংৰক্ষিত বনাঞ্চলত আজিৰে পৰা উচ্ছেদ অভিযান। ***আৰু***
৫। ৰঞ্জী ট্ৰফীত অসমৰ বিৰুদ্ধে ত্ৰিপুৰাৰ শক্তিশালী আৰম্ভণি।

০০০০০০

৯৩ সংখ্যক বায়ু সেনা দিৱস উপলক্ষে আজি গুৱাহাটীৰ লাচিত ঘাটত কেন্দ্ৰীয় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানৰ অংশ হিচাপে দুপৰীয়া চাৰে ১২ বজাৰ পৰা দিনৰ দুই বজালৈ এয়াৰ শ্ব' অৰ্থাৎ যুদ্ধ বিমানৰ উৰণ কৌশল প্ৰদৰ্শন কৰা হ'ব। কেন্দ্ৰীয়ভাৱে আয়োজিত এই এয়াৰ শ্ব'ত ৰাফেল, মিগ, ছুখয় আদি ৭৫ খন বিমানে ভাগ ল'ব। বায়ুসেনাৰ এই এয়াৰ শ্ব' সন্দৰ্ভত আমাক কৈছে অৱসৰপ্ৰাপ্ত এয়াৰ মাৰ্ছেল অঞ্জন কুমাৰ গগৈয়ে–

**বাইট (অঞ্জন কুমাৰ গগৈ)**

এই এয়াৰ শ্ব'ত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিও শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব। এই প্ৰদৰ্শনী উপভোগৰ বাবে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বৃদ্ধাশ্ৰমৰ আবাসীসকলক আমন্ত্ৰণ জনোৱা হৈছে। অৱশ্যে এইক্ষেত্ৰত প্ৰশাসনে কিছু নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই বিষয়ে আমাক জনাইছে কামৰূপ মহানগৰৰ সংবাদবাদাতা হেমন্ত বৰাই–

**ভইচ (হেমন্ত বৰা)**

জনসাধাৰণে সুবিধা অনুযায়ী গুৱাহাটীৰ নিজৰ ঘৰৰ পৰাও এই শ্ব'টো উপভোগ কৰিব পাৰিব। মহানগৰীৰ অশ্বক্লান্ত মন্দিৰৰ প্ৰাংগণত অতিথিৰ বাবে এয়াৰ শ্ব' চোৱাৰ ব্যৱস্থা কৰা হৈছে।

ইপিনে ভাৰতীয় বায়ু সেনাৰ ৯৩ সংখ্যক বৰ্ষপূৰ্তি অনুষ্ঠানৰ অংশ হিচাপে কালি বৰঝাৰৰ সেনা ছাউনীত সেনা বাহিনীৰ দ্বাৰা আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত  আয়োজিত এটা অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপস্থিতিত প্ৰাথমিক শিক্ষক পদৰ বাবে বাচনিকৃত ৰাজ্যৰ পাঁচ হাজাৰ ৫৫০ গৰাকী টেট উত্তীৰ্ণ প্ৰাৰ্থীক নিযুক্তিপত্ৰ প্ৰদান কৰিব। ইয়াৰে ভিতৰত নিম্ন প্ৰাথমিক বিদ্যালয়ৰ তিনি হাজাৰ ৮০০ গৰাকী আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ এহেজাৰ ৭৫০ গৰাকী প্ৰাৰ্থীক নিযুক্তিপত্ৰ বিতৰণ কৰা হ'ব।  ইয়াকে লৈ ৰাজ্য চৰকাৰে নতুনকৈ নিযুক্তি দিয়া প্ৰাৰ্থীৰ সংখ্যা এক লাখ ২৬ হাজাৰ ৭৯৩লৈ বৃদ্ধি পাব। আনহাতে  স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ বাবে বাচনি ভুক্ত সাত হাজাৰ ৮৫০ গৰাকী প্ৰাৰ্থীক অহা ১৩ নৱেম্বৰত নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব।

০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কালি গহপুৰত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। ৪১৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই বিশ্ববিদ্যালয়খন প্ৰযুক্তি আধাৰিত বৃত্তিমূলক শিক্ষা আৰু প্ৰশিক্ষণৰ ক্ষেত্ৰত দেশৰ প্ৰথমখন বিশ্ববিদ্যালয় হ'ব। ৭৩১ বিঘা ভূমিত নিৰ্মাণ কৰিবলৈ লোৱা বিশ্ববিদ্যালয়খনত দুহেজাৰ গৰাকী শিক্ষাৰ্থীৰ বাবে শৈক্ষিক ভৱন, এহেজাৰ ৬২০ গৰাকী শিক্ষাৰ্থীৰ বাবে হোষ্টেল, ৭২টা আবাসিক ভৱন, অতিথিশালা তথা শিক্ষাৰ্থীৰ সা-সুবিধা কেন্দ্ৰ থাকিব। বিশ্ববিদ্যালয়খনত কৃত্ৰিম বুদ্ধিমত্তা, ৰব'টিক ছায়েন্স, চাইবাৰ সুৰক্ষা, কোৱাণ্টাম কম্পিউটিং, এনিমেচন আৰু গ্ৰাফিক্‌ছ, ড্ৰোণ আৰু নেভিগেচন প্ৰযুক্তি, থ্ৰী ডি প্ৰিণ্টিঙকে ধৰি কেইবাটাও নতুন নতুন বিষয় অন্তৰ্ভুক্ত কৰা হ'ব। এই আধাৰশিলা স্থাপন অনুষ্ঠানত অংশগ্ৰহণ কৰি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কয়, যে দেশৰ স্বাধীনতা আন্দোলনত প্ৰাণ আহুতি দিয়া বীৰাংগণা কনকলতা বৰুৱাৰ নামত স্থাপন কৰিবলৈ লোৱা এই বিশ্ববিদ্যালয়খন ছহিদগৰাকীৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি।

**বাইট (বিত্তমন্ত্ৰী নিৰ্মলা)**

অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে এই বিশ্ববিদ্যালয়খনে ২০২৫ চনৰ নতুন অসমৰ বিকাশ আৰু বিৱৰ্তনৰ ৰূপকথাক প্ৰতিনিধিত্ব কৰিব। ৰূপকোঁৱৰে অসমীয়া চলচ্চিত্ৰ জগতৰ উন্মেষ ঘটোৱা পবিত্ৰ ভূমিত আধাৰশিলা স্থাপন কৰা এই বিশ্ববিদ্যালয়ে ঐতিহ্য, আধুনিকতা আৰু প্ৰতিশ্ৰুতিপূৰ্ণ ভৱিষ্যতৰ ইংগিত বহন কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে গুৱাহাটীৰ খানাপাৰাত নিৰ্মীয়মান জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহ পৰিদৰ্শন কৰে। ৫ হাজাৰ আসনযুক্ত প্ৰেক্ষাগৃহটোৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে ই উত্তৰ-পূব ভাৰতৰ অন্যতম বৃহৎ প্ৰেক্ষাগৃহ হিচাপে পৰিগণিত হ'ব।

০০০০০০

সংসদৰ শীতকালীন অধিৱেশন পহিলা ডিচেম্বৰৰ পৰা অনুষ্ঠিত হ'ব। সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেন ৰিজিজুৱে কালি সামাজিক মাধ্যম যোগে এই কথা সদৰি কৰে। তেওঁ কয়, যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সন্মিলনত ১৯ ডিচেম্বৰলৈকে চলিবলগীয়া অধিৱেশনৰ প্ৰস্তাৱত সন্মতি প্ৰকাশ কৰিছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত কালি নিশা আঞ্চলিক বাতৰি বিভাগৰ কেইবাগৰাকী প্ৰাক্তন বাতৰি পৰিবেশকে নিজৰ মনৰ ভাব আৰু অভিজ্ঞতা ব্যক্ত কৰে। অনুষ্ঠানত অংশ লৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ সহকাৰী অধ্যাপক ড০ ভাৰতী ভড়ালীয়ে বাতৰি বিভাগৰ সৈতে জড়িত হোৱাৰ মধুৰ অভিজ্ঞতাৰ কথা সোঁৱৰণ কৰে। তেওঁ লগতে সময়ৰ দ্ৰুত পৰিৱৰ্তনৰ সৈতে তাল মিলাই আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে নিজৰ গৰিমা অক্ষুণ্ণ ৰাখিছে বুলি মন্তব্য কৰে।

**বাইট (ড০ ভাৰতী ভড়ালী)**

অনুষ্ঠানত প্ৰাক্তন বাতৰি পৰিবেশক তথা জ্যেষ্ঠ পশু চিকিৎসা বিষয়া ডাঃ অবনি কুমাৰ চৌধুৰীয়ে আকাশবাণীত কাম কৰি কিদৰে সাৱলীলভাৱে বাতৰি লিখা আৰু উচ্চাৰণৰ কৌশল আয়ত্ত কৰিলে আৰু এই অভিজ্ঞতাই তেওঁৰ পৰৱৰ্তী বৃত্তিগত জীৱনত কিদৰে সহায় কৰিছে সেই বিষয়ে জানিবলৈ দিয়ে।

**বাইট (অৱনী)**

একেদৰে আন এগৰাকী প্ৰাক্তন বাতৰি পৰিবেশক তথা অসম চৰকাৰৰ জনসংযোগ বিভাগৰ জ্যেষ্ঠ তথ্য বিষয়া পম্পী দেৱীয়ে আঞ্চলিক বাতৰি বিভাগক শিকণৰ ভেটি বুলি উল্লেখ কৰাৰ লগতে বাতৰি বিভাগত কাম কৰা অভিজ্ঞতাই তেওঁক পৰৱৰ্তী সময়তো যথেষ্ট সহায় কৰা বুলি উল্লেখ কৰে।

**বাইট (পম্পী)**

প্ৰাক্তন বাতৰি পৰিবেশক কাবেৰী বৰা মজুমদাৰে অনুষ্ঠানটোত বাতৰি বিভাগত দলীয় মানসিকতাৰে কাম কৰাৰ অভিজ্ঞতাই তেওঁক পৰৱৰ্তী জীৱনত বিশেষভাৱে সহায় কৰিছে বুলি উল্লেখ কৰে। একেদৰে আন এগৰাকী প্ৰাক্তন বাতৰি পৰিবেশক ইলোৰা গোস্বামীয়ে বাতৰি বিভাগত লাভ কৰা অনুশাসনৰ শিক্ষা, বাতৰিৰ প্ৰতি থকা অসীম আগ্ৰহ আৰু বিভাগটোৰ প্ৰতি থকা আন্তৰিকতাৰ কথা উল্লেখ কৰে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে এই অনুষ্ঠানৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন কৰে।

০০০০০০

ডিমা হাচাও জিলাৰ হাৰাঙ্গাজাওৰ বৌলচল জলপ্ৰপাতত কালি সন্ধানহীন হোৱা শিলচৰ এন আই টিৰ অভিযান্ত্ৰিক বিভাগৰ প্ৰথম বৰ্ষৰ দুগৰাকী ছাত্ৰী আৰু এজন ছাত্ৰৰ ভিতৰত দুজনৰ মৃতদেহ  উদ্ধাৰ কৰা হৈছে। এন ডি আৰ এফে ছাত্ৰ-ছাত্ৰীৰ সন্ধানত অভিযান চলাই  উত্তৰ প্ৰদেশৰ সৰ্বকৃতিকা  সিং আৰু বিহাৰৰ ৰাধিকা নামৰ ছাত্ৰী দুগৰাকীৰ মৃত দেহ উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। পানীত ডুব যোৱা উত্তৰ-প্ৰদেশৰ সৌহাৰ্দ ৰায় এতিয়াও সন্ধানহীন হৈ আছে। আমাৰ সংবাদদাতাই জনোৱা মতে, কালি ছাত্ৰ-ছাত্ৰীকেইগৰাকী জলপ্ৰপাতটোলৈ ফুৰিবলৈ যোৱাৰ সময়তে এই অঘটন ঘটে।

০০০০০০

প্ৰশাসনে গোৱালপাৰা জিলাৰ দহিকটা সংৰক্ষিত বনাঞ্চলত আজিৰে পৰা দুদিনীয়াকৈ উচ্ছেদ অভিযান আৰম্ভ কৰিছে। ইয়াৰ জৰিয়তে দহিকটা সংৰক্ষিত বনাঞ্চলৰ এহেজাৰ ১৪০ বিঘা ভূমি দখলমুক্ত কৰা হ'ব। গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ টিমুঙে কালি প্ৰকাশ কৰা মতে উচ্ছেদ অভিযানৰ বাবে অবৈধভাৱে দখল কৰি থকা ভূ-ভাগক পাঁচটা খণ্ডত ভাগ কৰা হৈছে আৰু ইয়াৰে এটা অংশতহে এতিয়াও একাংশ লোক আছে। তেওঁ কয়, যে প্ৰশাসনে জনসাধাৰণক আজিৰ ভিতৰত দখল কৰা এলেকা ত্যাগ কৰাৰ সময় বান্ধি দিছে।

উচ্ছেদৰ বিৰুদ্ধে ইতিপূৰ্বে দাখিল কৰা তিনিখন আবেদন সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ে দিয়া ৰায় অনুসৰি এই অভিযান চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। শ্ৰী টিমুঙে লগতে উচ্ছেদ অভিযান শান্তিপূৰ্ণভাৱে সম্পন্ন হ'ব বুলি আশা প্ৰকাশ কৰে। জিলাখনৰ দুবাপাৰা, বেহাৰফুলি, দাৰোগাৰ আলগাকে ধৰি কেইবাটাও অঞ্চলত বসবাস কৰা বহু লোক জলজলি নৈৰ খহনীয়াৰ কবলত পৰি শ্ৰীসূৰ্য্য পাহাৰৰ উত্তৰ পশ্চিম দিশত থকা দহিকটা সংৰক্ষিত বনাঞ্চলৰ ভূমিত যোৱা ২৫-৩০ বছৰে বসবাস কৰি আহিছে। দুবাপাৰা বন উদ্যানৰ পূব দিশৰ ভাটিয়াপাৰা গাওঁৰ কিছু অংশৰ লগতে উদ্যানৰ পশ্চিম দিশ আৰু উত্তৰ পশ্চিম দিশৰ কিছু অংশ দহিকটা সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত।

ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে ৰাজ্যৰ অবৈধভাৱে দখল কৰি থকা ভূমিসমূহ দখলমুক্ত কৰাৰ বাবে অভিযান চলাই আহিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে অবৈধভাৱে দখল কৰি থকা সকলো ভূমি দখলমুক্ত নকৰালৈকে অভিযান অব্যাহত থাকিব বুলি প্ৰকাশ কৰিছে। তেওঁ কয়, যে ৰাজ্যত বৰ্তমানলৈকে ২৯ লাখ বিঘা দখলিকৃত ভূমি আছে আৰু যোৱা চাৰি বছৰত এক লাখ ২৯ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হৈছে।

০০০০০০

কংগ্ৰেছৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈৰ উদ্যোগত অহা বুধবাৰে প্ৰথমখন বিৰোধী ঐক্যৰ বৈঠক আহ্বান কৰা হৈছে। অসম বিধানসভাৰ জে এন হলত বুধবাৰে বিয়লি চাৰি বজাত এই বৈঠক অনুষ্ঠিত হ'ব। গৌৰৱ গগৈয়ে এই বৈঠকলৈ অসম জাতীয় পৰিষদ, ৰাইজৰ দল, চি পি আই এম আই এম এলকে ধৰি ১২ টা বিৰোধী দলৰ নেতৃবৰ্গক বৈঠকলৈ আমন্ত্ৰণ জনাইছে।

০০০০০০

ঘৰুৱা দল ত্ৰিপুৰাই আগৰতলাত অনুষ্ঠিত ৰঞ্জী ট্ৰফীৰ এলিত চি গ্ৰুপৰ খেলখনত অসমৰ বিৰুদ্ধে শক্তিশালী আৰম্ভণি কৰিছে। ত্ৰিপুৰাই কালি প্ৰথম দিনৰ খেলৰ অন্তত চাৰিটা উইকেটৰ বিনিময়ত ৩১৬ ৰান সংগ্ৰহ কৰে।

দিনান্তত হনুমা বিহাৰী ১৪৩ আৰু ৰাণা দত্ত ৪ ৰান কৰি আউট নোহোৱাকৈ থাকে। অসমৰ হৈ দৰ্শন ৰাজবংশীয়ে দুটা উইকেট লাভ কৰে।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহ ভিন ভিন বাতৰি মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে। দি আছাম ট্ৰিবিউন কাকতে অহা পহিলা ডিচেম্বৰৰ পৰা ১৯ ডিচেম্বৰলৈ সংসদৰ শীতকালীন অধিৱেশন অনুষ্ঠিত হোৱাৰ বাতৰি প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতত লাচিত ঘাটত আজি প্ৰদৰ্শন হ'বলগীয়া ভাৰতীয় বায়ুসেনাৰ বিশেষ কাৰ্যসূচীৰ বিষয়ে বাতৰি প্ৰকাশ কৰিছে। এই বাতৰিক আজি আটাইবোৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি বাংলাদেশৰ আগ্ৰাসী দৃষ্টি ক্ৰমাৎ বৃদ্ধি হৈছে। যাৰ বাবে চৰকাৰে চিকেন নেকৰ নিৰাপত্তা বৃদ্ধি কৰিছে। এই বাতৰি দৈনিক অসম, দৈনিক অগ্ৰদূত কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতত ৰাজ্যৰ সৰ্বপ্ৰথম তথ্য প্ৰযুক্তি বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন শিৰোনামেৰে গহপুৰত কনকলতা বিশ্ববিদ্যালয় নিৰ্মাণৰ বাতৰি প্ৰকাশ কৰিছে। এই বাতৰিক অন্যান্য বাতৰি কাকতেও প্ৰকাশ কৰিছে।

পাইৰেচিৰ গ্ৰাসত ৰৈ ৰৈ বিনালে শিৰোনামেৰে আমাৰ অসম কাকতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সপোনৰ প্ৰকল্পই অসমীয়া চিনেমা উদ্যোগৰ ক্ষতি কৰাৰ আশংকাপূৰ্ণ এটা বাতৰি প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে প্ৰসিদ্ধ চিত্ৰশিল্পী, ফুটবলাৰ হকী খেলুৱৈ, অভিনেতা চৌকত আলীৰ বিয়োগৰ বাতৰি সবিস্তাৰে প্ৰকাশ কৰিছে। অসম ৰাজ্যিক পৰিবহণ নিগমৰ গঁড়ৰ প্ৰতীকপট অংকন কৰোঁতা শিল্পীগৰাকীৰ বিয়োগৰ বাতৰিক অন্যান্য বাতৰি কাকতেও প্ৰকাশ কৰিচে।

অসমীয়া খবৰ কাকতে ক্ৰিকেট খেলুৱৈ উমা চেত্ৰীক বোকাখাতত ৰাজকীয় সম্বৰ্ধনা জনোৱাৰ বাতৰি প্ৰকাশ কৰিছে।

দা ছেণ্টিনেল কাকতে ডিমা হাচাওৰ জলপ্ৰপাতত সন্ধানহীন তিনিগৰাকী শিক্ষাৰ্থীৰ বাতৰি প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ পুৱাৰ ভাগত কুঁৱলী আৰু পৰৱৰ্তী সময়ত বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ আৰু মিজোৰামত ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ লগতে অৰুণাচল প্ৰদেশ আৰু ত্ৰিপুৰাৰ অঞ্চল বিশেষে বতৰ শুকান হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত